
*THE EXECUTIVE BODY* OF THE J. N. COLLEGE STUDENTS' UNION, 1990-91

With Dr. N. K. Choudhury the Hon'ble V. C., G. U., and Sri A K. Adhikary, President, and Sri J. Sarmah, Member, G. B. of the College



Sitting :—( L. to R. ) Prof. Mis B Deka ( In-charge, Girls' Common Room ). Prof. M. Rahman ( In-charge. Boys' Common Room ). Sri J. Sarmah, Sri A. K. Adhikary, Dr. N. K. Choudhury, V. C. G. U., Principal J. C. Nath ( President, Students' Union ), Prof. B. K. Dutta ( Vice President ), Prof L. K. Sarman ( In charge, Magazine ), Prof. D. N. Das ( In-charge. Debates and Symposium ), Prof. S. C. Talukdar ( In-charge, Music & Culture ).

Standing :—(L. to R. ) Miss Bina Das ( Secy. Girls' Common Room ), Sri Kailash Kalita ( Secy. Magazine ), Sri Kamini Kanta Rabha ( Secy. Games & Sports ), Sri Dilip Rabha ( Secy Social Service ), Sri Lakshman Prasad Rabha ( General Secy. ), Sri Suresh Das ( Secy. Boys' Common Room ), Sri Debajit Das. ( Secy. Music & Culture ), Prof. A. K. Das ( In-charge, Games and Sports ), Prof. N. Mudiar ( In-charge, Social Service ).

## MEMBERS OF THE TEACHING STAFF

With Dr. N. K. Choudhury the Hon'ble V. C., G. U. and Sri A, K. Adhikary, President, and Sri J. Sarmah, Member, G. B. of the College.



Sitting :— ( L. to R. ) Prof. M. C. Kakati. D. N. Das, S. C. Talukdar, A. K. Adhikary, Dr. N. K. Choudhury, V. C., G. U., Principal J. C. Nath: Sri J, Sarmah, L. K. Sarmah. D. K. Barua, B. K. Dutta.

Standing :— First Row ( L. to R. ) Prof. Mrs. B. Deka, Mrs. K. Mali, Mrs. R. Phukan, Mrs. B. Devi, Mrs. P. Rabha, Mrs. J. Bhuyan, Mrs. N. Devi, P. Sarmah, Md. M. Khan, U. C. Kar, A. C Patowary, D. N. Sarmah, A. K Das, M. K.

একাঙ্কিকা নাট:

# আৱিষ্কাৰ

—দ্বিজেন্দ্ৰ কুমাৰ দাস
স্নাতক ১ম বাৰ্ষিক ( কলা )

## : চৰিত্ৰ সমূহ :

১। কমল : তৰুণ নাট্যকাৰ অভিনেতা। বয়স ২৫/২৬ বছৰ।
২। কন্দৰ্প : কমলৰ ককায়েক। চৰকাৰী চাকৰিয়াল। ২৮/২৯ বছৰ।
৩। ভন্টি : " সৰু ভনীয়েক। বয়স ১৬/১৭ বছৰ।
৪। দেউতাক : " বয়স ৪৫/৫০ বছৰ।
৫। ৰসেশ্বৰ : গাঁৱলীয়া ব্যক্তি। ৪০/৪১ বছৰ।
৬। প্ৰথমজন ডেকা ল'ৰা } কমলৰ সহপাঠী।
৭। ২য়জন ডেকা ল'ৰা

০০০ ০০০ ০০০

নাটকৰ পটভূমি : গাঁৱলীয়া।
সময় : ৰাতিপুৱা ন' মান বজাত।

০০০ ০০০ ০০০

### সাজ-পোছাক :

কমলৰ বাবে : এটা বজৰুৱা সস্তীয়া পাঞ্জাৰি, এটা পুৰণি লংপেণ্ট। কান্ধত এখন বজৰুৱা সস্তীয়া মোনা। ভৰিত হাঁৱাই চেন্দেল।

কন্দৰ্পৰ বাবে : এজোৰ পেণ্ট-ছাৰ্ট।

ভন্টিৰ বাবে : ৰঙা ব্লাউজৰে সৈতে হাতেবোৱা এজোৰ মেখেলা-চাদৰ বা লেডিজ স্কাৰ্ট এজোৰা।

দেউতাকৰ বাবে : গামোচা এখন আৰু পুৰণা ফাটিব ধৰা গেঞ্জী এটা।

ৰসেশ্বৰৰ বাবে : ধুতি আৰু পাঞ্জাৰি।

১ম জন ডেকা } উভয়ৰে সস্তীয়া ধৰণৰ পেণ্ট-ছাৰ্ট।
২য় জন ডেকা

০০০ ০০০ ০০০

নাটক মঞ্চস্থ হৈ থাকোঁতে যন্ত্ৰ-সংগীতৰ ব্যৱহাৰ অপৰিহাৰ্য্য।

০০০ ০০০ ০০০

**মঞ্চ নির্দেশনা :**

আঁব কাপোৰ উঠাৰ লগে লগে মঞ্চত কমলৰ ইতৰ চোতাল খন দেখিবলৈ পোৱা যাব। কেইটা-মান পুৰণি মূঢ়া, এখন পুৰণি চাইকেল আৰু কেইটামান কুলৰ টাব দেখিবলৈ পোৱা যাব। আনহাতে কমলে পাণ্ডুলিপি খনত কিবা কটা-কটি কৰি অৱশেষত বচন আওৰায়।

কমল : ( Action )

আমাক এটা হাতুৰী লাগে
অজ্ঞানতাৰ প্ৰাচীৰ ভাঙি
জ্ঞান সূৰ্য্যৰ দিপ্ত শিখা
নমাই আনিম
দিগন্ত ধিয়াই
ধৰাৰ বুকুলে—
ধ্বংস হ'ব
অহংকাৰ যত
সৌ-সিহঁতৰ
সৃষ্টি হব বিশ্বৰ বুকুত
ন-সমাজৰ
আমাক পোহৰ লাগে
আমাক পোহৰ লাগে।

[ চেতাৱৰ টুং টুাং শব্দ। ককায়েকৰ অভিনয় দেখি মৰমৰ সৰু ভনীয়েকে খিল খিলকৈ হাঁহি দিব ]

ভন্টি—( হিঃ হিঃ হিঃ ) চমৎকাৰ। ( হিঃ হিঃ হিঃ )।

কমল : ( Action ) ধেৎ, দিলে নহয় 'মুড' নষ্ট কৰি, ঐ হিঃ হিঃ হিঃ হাঁহিবলৈ আহিছ— সে সে সে এ।

ভন্টি : বাৰু সৰু দা ক্ষমা কৰি দে। ( হাত যোৰ কৰে )।

কমল : ক্ষমা ! তোক ! ধৰ কাণত ধৰ, কি চাই আছ ?

[ তাই সেমেনা সেমেনিকৈ কাণত ধৰে ]

বহ—উঠ, বহ—উঠ—বচ !

ভন্টি : সৰু দা ! মোকো পোহৰ লাগে। তইঁতৰ সৈতে ....... ।

কমল : চুপ থাক ! পেংলাইখন নকৰিবি। শুন—নতুনকৈ নাটক এখন লিখিছো—নাম 'আৱিষ্কাৰ'। বুজিছ। বিহাৰ্ছেল আজিৰ পৰাই আৰম্ভ কৰিব লাগিব।

ভন্টি : মঞ্চস্থ ক'ত কৰিবি ?

কমল : "District Library" গুৱাহাটীত।

ভন্টি : "Best of Luck"

কমল : Thank you. ( Mood Change ) ঐ ভন্টি,

ভন্টি : হুঁ

কমল : খাবলৈ কিবা আছে নে নাই অ' ..

ভন্টি : নাটক লিখিলে, অভিনয় কৰিলে জানো পেট নভৰে ?

কমল : এই তেনেকৈ নকৰি। বুইছ ( কৃত্ৰিম খং )

ভন্টি : হিঃ হিঃ হিঃ

কমল : হাঁহিব নেলাগে। খাবলৈ কিবা আছে যদি দে.......না....... ।

ভন্টি : ( Mood Change ) কালি যি কণ চাউল অনা হৈছিল সেয়া বাতিৰ সাজতে আধা হ'ল। এতিয়া বজাৰলৈ গলেহে........ ।

কমল : থ' থ' বজাৰলৈ যাবি—চাউল কিনিবি—ঘৰলৈ আহিবি—ভাত ৰান্ধিবি—আৰু মই ভাত খাম ! হৈছে, হৈছে অই, অইন

কিবা আছে যদি দে'না··বৰ ভোগ লাগিছে অ'··· ।

ভন্টি : অইন নো আৰু কি থাকিব পাৰে।
(অলপ ভাবি) অ'! সৰুদা! আছে আছে। কালি দেউতাই কেইটামান কল আনিছিলে, তোমাক ক'বলৈকে পাহৰিছিলো। খাবিনে? (আবেগত)

কমল : আকৌ সুধিবলৈ কিটো আছে? বেগতে লৈ আহ বা আকৌ ।
(ভন্টিৰ প্ৰস্থান। সি তলমূৰকৈ মূঢ়াত বহি কিবা-কিবি চিন্তাত মগ্ন। এনেতে ভন্টিয়ে তিনি চাৰিটামান কল লৈ প্ৰবেশ কৰিব।

ভন্টি : হোঁ, সৰুদা ল।(সি থিয় হয়)

কমল : (অভিমান) নেখাওঁ।

ভন্টি : কেলেই?

কমল : তই তেনেকৈ দিলে মই খাব পাৰো নেকি?
(ভন্টিৰ ওঁঠত হাঁহি। কলৰ বাকলি এৰুৱাই তালৈ যাঁচিব)

ভন্টি : বাৰু, এতিয়া খা।

কমল : উহুঁ······ প্ৰথমে তই ।
(দুয়োৰে ওঁঠত হাঁহি)

ভন্টি : মই নেখাওঁ·······তই নেখাব কেলেই?

কমল : প্ৰথমে·········
(তাইক কল খুৱাই দিব। পিচত তাই কামোৰ মাৰা কলটিৰ বাকী অংশ লগতে অইন কেইটাও হুৰমূৰকৈ খাবলৈ ধৰিব)।
আৰু নেপাব দেই

ভন্টি : (কমলৰ চুলিবোৰ লিৰিকি বিদাৰি) সৰুদাৰ চুলি পকিছে··· বুঢ়া।

কমল : (কল চোবাই) ঐ কথা কবলৈ আহিছ

ভন্টি : (ভালে চাই তাই খিল্ খিল্ কৈ হাঁহিব)

কমল : অ' ভন্টি, পানী এগিলাচ লৈ আহচোন **Please**

ভন্টি : মলুৱা বান্দৰ।

কমল : কি জোকাবলৈ আহিছ! বা ন দ ৰ!

ভন্টি : মলুৱা!
(তাই ভিতৰলৈ যাব। চেতাবৰ টুং টাং শব্দ। কমলে পেটটোত এবাৰ চপৰিয়াই চায়। মনৰ ভাব "হৈছে আৰু দিনটোলৈ" চাইকেলখনৰ ওচৰলৈ গৈ চকাত "হাৱা" আছেনে নাই চাব। এনেতে ওঁঠত হাঁহিলৈ পানীৰ গিলাচ সহিতে ভন্টিৰ প্ৰৱেশ)।

ভন্টি : সৰু দা। হোঁ, পানী·······।

কমল : অ' – । (পানী প্ৰায় আধা খাওঁতেই তাই গিলাচটোত থাপ মাৰি ধৰিব)।

ভন্টি : সৰু দা।

কমল : হু (গিচাচটো নমনাই)

ভন্টি : (অভিমান) তই অকলে খাবিনে?
(বাকী পানীখিনি কটু কটুকৈ তাই পি দিব)

কমল : দেখিছ! এইৰ লোভ।

ভন্টি : তেনেকৈ নকবি দেই কিন্তু।

কমল : ক'বলৈকে আৰু বাকী ৰাখিছ নে?

ভন্টি : নহয় অ', তই খাই এৰা পানীখিনি খালেহে মোৰ হেপাহ পলায়।

কমল : হয়নে?

ভন্টি : (Mood Change) বাৰু সৰু দা কথা এযাৰ কওঁ খং নকৰাতো?

কমল : এই ! এনে কি কথা থাকিব পাৰে যাৰ বাবে তোক মই খং কৰিব পাৰো ? ক' ক' সোনকালে ক' ....

ভন্টি : ইস্ । মোৰ ভয় লাগে তই যদি ....

কমল : আচ্ছা বাবা ন'কৰো (কাণত ধৰি) এই আকৰী নকৰ কেলেই ?

ভন্টি : (তাৰ বাহুত ধৰি) ( Music ) এনেদৰে নাটক কৰি ঘূৰি ফুৰিলে কিবা জানো লাভ হ'ব ?

কমল : (দুখত হাঁহি মাৰি হুমুনিয়াহ কাঢ়িব) লাভ-লোকচানৰ কথা মই ভবা নাই ভন্টি । মনৰ মাজত অহা ভাববোৰ লিপিবদ্ধ কৰিছোঁ । অভিনয় কৰিছোঁ । অভিনয় ভাল হ'লে, দৰ্শকে হাত চাপৰি বজাইছে, কোনোৱে প্ৰশংসা কৰিছে, কেইখনমান মান-পত্ৰ পাইছোঁ .....সেয়াই ।

ভন্টি : কিন্তু সেইবোৰ লৈ তই কি কৰিবি ? তোৰ জানো এটা ভৱিষ্যত নাই ? চা' চোন, ডাঙৰদাই চাকৰিটো নোপোৱা হলে ঘৰখনৰ যে কিটো অৱস্থা হ'লহেঁতেন !

কমল : জানো ভন্টি ! বুজো ! কিন্তু—মোৰ ভৱিষ্যত মই নিজেই কেনেকৈ কম ? কৰ্ম কৰি গৈ আছোঁ, বচ্ ।

ভন্টি : থ', তোৰ কৰ্ম । যি কৰ্মৰে পেটৰ ভাত নোলায় তেনে কৰ্ম .... ।

কমল : নকবাই ভাল, হাঃ হাঃ হাঃ (হুমুনিয়াহ) মই জানো ভন্টি ! এইবাৰ কথা তই মনৰ মাজৰপৰা ক'ব পৰা নাই ।

ভন্টি : সকদা...... । ( Music )

কমল : অকল এইখন ঘৰেই নহয় সমাজৰ বহুজনে এইবোৰ ভাল নেপায় । ইতিকিং কৰে... ।

কমল : (তাৰ মাত থোকা থুকি হয় আবেগত) আৰু... তইয়ো... তইয়ো যদি তেনেকৈ কৱ...

ভন্টি : মোক ক্ষমা কৰিদে সকদা । তোক মিছাতে দুখ দিলোঁ । ধেমালিহে কৰিছিলোঁ... ।

কমল : (দুখৰ মাজতো হাঁহিবলৈ চেষ্টা কৰি) জানো ! অইন কোনেও ভাল নেপালেও, মোৰ প্ৰেৰণা নিদিলেও তই ইয়াৰ ব্যতিক্ৰম । মাৰ মৃত্যুৰ পিছৰেপৰা তই যে আমাৰ বাবে, এইখন ঘৰৰ বাবে কিমান কষ্ট কৰি আহিছ... সেইবোৰ ভাবিলে বৰ দুখ পাওঁ অ' ...

ভন্টি : ধেৎ, তই যে কিবোৰ ক'ৱ ।

কমল : সঁচাকৈয়ে । তোক তেনেকৈ দেখিলে বৰ দুখ লাগে ভন্টি । মোৰ কি মন যায় জান— বজাৰৰ ধুনীয়া ধুনীয়া, ৰঙ-বিৰঙৰ ফ্ৰকবোৰ তৰাফুলীয়া পাট-গমুৰ মেখেলা-চাদৰবোৰ আৰু দামী দামী শাৰীবোৰ তোৰ বাবে যেন লৈ আহিম । সেইবোৰ তই পিন্ধিবি তোক যে কিমান ধুনীয়া লাগিব । (আবেগত হাঁহিব সতে চকুলো নিগৰি পৰে)

ভন্টি : সকদা (কোমল মাতত) ।

কমল : কিন্তু ! (হুমুনিয়াহ) মোৰ হাতত যে এটা ফুটা কড়িও নাই, মই বৰ অক্ষম ভন্টি বৰ অক্ষম । আজিলৈকে তোক জানো কাপোৰ এখন দিব পাৰিছোঁ... ।

ভন্টি : (উচুপে) সকদা... ।

কমল : অ' নিজৰ বাবে, এইখন ঘৰৰ বাবে, এইখন

সমাজৰ বাবে আৱৰ্জনা হৈ পৰিছো।
মাথো টকা; টকা নাই বাবে·····

( **Mood change** )

এই!
তই কান্দিছ!
কেলেই?
চাওঁ (চকুপানী মচি মচি)

ভন্টি: তই তেনেকৈ কৈছ কেলেই? সেইবোৰ মোক একো নেলাগে। মাথো তই ভালদৰে থাক তাতেই মোৰ আনন্দ। আমাৰ ঘৰ-খনৰ আনন্দ।

কমল: এৰা। দেউতাৰ হাৰ্জিবা কৰা টকাৰে স্কুল-কলেজত পঢ়ি বি. এটো পাছ কৰিলো। দেউতাইও আশা কৰিছিল - মই এটা চাকৰি পাম মই হাঁহিম, ঘৰখনৰ আটায়ে হাঁহিব ·· কিন্তু দেউতাৰ সেই আশা!
সেইবোৰ আজি! (মূৰটো জোকাৰিব। হুমুনিয়াহ। দুখৰ হাঁহি) তথাপিতো জীয়াই আছো। দুখৰ মাজতে জীয়াই থাকি সুখৰ সঁফুৰা বিচাৰি ফুৰিছোঁ।

( **Mood change** )

অ' মই পাহৰিয়েই গৈছিলো। সিহঁতে মোৰ বাবে বৈ থাকিব বৰ পলম কৰিলো (যাব খোজে)

ভন্টি: সৰুদা ৰ'বি! তই বস্তু এটা ল'বলৈ পাহৰিয়ে গৈছ·····

কমল: বস্তু! ল'বলৈ। মই পাহৰিছো! কি?

ভন্টি: (দুষ্টালিৰ হাঁহি) মনত পেলাচোন·· নেযাবিদেই কিন্তু··· [প্ৰস্থান]

কমল: (মোনাখনত কিবা কিবি বিচাৰিব, পকেটত বিচাৰিব) কিনো বস্তু থাকিব পাৰে! কলম, কাগজ, পাণ্ডু-লিপি-এয়া দেখোন আছেই! (পেণ্টৰ পকেটৰ পৰা ৰুমাল-খন উলিয়াই) ছেঃ এইখনো আকৌ ব'ৰাকৈ গোন্ধাইছে। (দুহাতেৰে মেলি দিয়াত বাইজৰ চকুত ফটা ৰুমালখন পৰিব) দেখিছেনে কেনেকৈ ফাঁটি গৈছে হাঃ হাঃ হাঃ
(**Mood change**) অ' এইখন কেনেবাকৈ ভন্টিয়ে দেখিবলৈ পালে হৈছে আৰু··· চুইহে নিকিলাব। (পকেটত ভৰাই থয়) আহ্‌ জীৱন! হাঃ হাঃ হাঃ। কাগজ এখিলা কিনিবলৈকেও যাৰ সামৰ্থ্য নাই, দোকানীৰ ওচৰলৈ গ'লে মুখ তুলিয়েই নেচায়। মানুহ-বোৰে কথা পাতিবলৈ টান পায়— জানোচা নাটকৰ বাবে চান্দাই বিচাৰো! হাঃ হাঃ হাঃ। তথ পিতো দোকানীৰ ওচৰত বাকী বিচাৰিবই লাগিব—সৃষ্টি কৰাৰ তাড়নাত! অন্তৰত গুজৰি থকা ভাৱখিনি মানুহৰ উপ-লব্ধিৰ উচ্চ শিখৰলৈ কঢ়িয়াই নিয়াৰ প্ৰচেষ্টাত। আমি আগবাঢ়িবই লাগিব··
(ভন্টিৰ প্ৰৱেশ)

ভন্টি: সৰু দা··!

কমল: অ'··

ভন্টি: বাবু ক'চোন! তই কি পাহৰিছ?

কমল: ক'তা। সকলোবোৰ আছেই!

ভন্টি: (তাইৰ দুষ্টালিৰ হাঁহি)

কমল: ত'ই যে কিবোৰ ক'ৱ! এই্‌ কি পাহৰিছো? পেংলাইখন নকৰিবি দেই।

ভন্টি : চাওঁ…। (তাই তাৰ পেণ্টৰ পকেটত হাত দিব,) সি বাধা দিব।

কমল : এই…কি বিচাৰ ? চাওঁ ভন্টি… এৰি দে।

ভন্টি : (ৰুমালখন উলিয়াই নাকৰ ওচৰলৈ নি) উহ্ কি যে গেলা নিগনিৰ দৰে গোন্ধাইছে। ছেঃ (দলিয়াই দি) লেতেৰা !

কমল : ঐ তই বৰ দুষ্ট হৈছ দেই।

ভন্টি : হৈছে –হৈছে। মোক খং কৰিব নেলাগে। (হাতৰ মুঠিৰ পৰা এখন ৰুমাল উলিয়াই) হোঃ এইখন ল'। (সি লয়) যোৱা-কালিয়ে দেখিছিলো। কি যে লেতেৰা ঐ !

কমল : সময়নো পালো ক'ত ? (হাঁহি) আৰু তই নিদিলে কোনেনো দিব ? বাৰু যাওঁ দে—

ভন্টি : ৰ' চোন। (হাতত ধৰি) আৰু আছে।

কমল : এই, কিনো পেংলাইখন কৰি আছ অ' সেইপিনে পলম হ'লেই…।

ভন্টি : তোৰ লগত যে কিবা এটা নাই মই জানো ! (সি আকৌ বিচাৰে) (পাঁচ টকীয়া নোট এখন তালৈ আগবঢ়াই) হেঁ ল' এই পাঁচ টকা !

কমল : পাঁচ টকা !

ভন্টি : ল' আকৌ (সি লয়) শুন দুপৰীয়া ভোগ লাগিলে চাহ তাহ খাবি। তাতেই আকৌ চাইকেলখনত উঠি দুৰ। লগত টকা কেইটামান থকাটো ভাল। পিছে শুন চিগাৰেট ধপাত খালে পিচলৈ নেপাবা দেই কৈ দিছো। দুপৰীয়া কিন্তু ভাত খাবলৈ আহিবি। কেনে মানুহ অ' এইটো ! নিজৰ শৰীৰটো লৈও নেচায়।

কমল : তই বৰ ভাল দেই ভন্টি।

ভন্টি : হৈছে হৈছে। এতিয়া ভালৰি বোলাব নেলাগে। যোৱাকালি হাঁহকণী বিক্রি কৰি টকা দহটা পাইছিলো। পিছে দুপৰীয়া আহিবি কিন্তু।

কমল : সময় পালেহে !

ভন্টি : থ' থ' অকণমান সময়ৰ বাবে নাটকখন নোহোৱাকৈ নেথাকে নহয়। দেহটোকনো কষ্ট দিয় কেলেই ?

কমল : বাৰু বাৰু। তই চিন্তা কৰিব নেলাগে। (গৰ্বৰে) আৰু যদি মই টকা পাওঁ নহয়— তেতিয়া তোক সুতে-মূলে, চক্রবৃদ্ধি হাৰত সকলোবোৰ দি দিম। হু—

ভন্টি : জোকাই নেলবি কিন্তু !

কমল : আচ্ছা বাবা। যোৱাৰ সময়ত শুভেচ্ছা জানো নিদিয়' ? (মূৰটো দোৱাই দিয়ে)

ভন্টি : শুভেচ্ছা যাচিছো।

কমল : তোৰ বিয়াখন সোনকালে হওক ! (সি তাইৰ মূৰত হাত থৈ)

ভন্টি : (খঙত) উ !!! তোক মই (তাই তাক কোবাবলৈ ধৰে। সি কিল খাই খাই চাইকেলত ধৰোঁতে ককায়েক কন্দৰ্পৰ প্ৰৱেশ)

কন্দৰ্প : ভন্টি ! ল'ৰা-ধেমালিখন কৰিবলৈ লাজ নেলাগে। (দুয়ো সেমেনা সেমেনি কৰে। তাই কন্দৰ্পৰ পিচলৈ আহি থমকি ৰয়)।

কন্দৰ্প : কি হ'ল ? ক'লৈ ওলাইছ ?

কমল : নাই মানে হেৰি বন্ধু এজনৰ ঘৰলৈ যাওঁ বুলিছো।

কন্দৰ্প : মিছা কথা কবলৈ লাজ নেলাগে।
অ' শুন। কথা এবাৰ ভাবিচো। মই কি ভাব কৰ নোৱাৰো। আশা কৰো ; তোৰ ভৱিষ্যতলৈ চাই — এইখন ঘৰৰ ভৱিষ্যতলৈ চাই, মই ভাবি-চিন্তি মতামত দিবি।

কমল : কি কথা দাদা ?

কন্দৰ্প : জান কমল। এনেদৰে ঘূৰি ফুৰি নিজকে অন্ধকাৰৰ মাজলৈ ঠেলি দিয়াটো উচিত হোৱা নাই। কেৱল নাটক — নাটত নাটক। এইবোৰ কৰি তোৰ লাভ কি ?

কমল : লাভ কি আৰু লোকচান কি ? সেইবোৰ মই ভবা নাই দাদা।

কন্দৰ্প : হৈছে হৈছে। এই ঘৰখন কেনেদৰে চলিছে চিন্তা নকৰ কেলেই। ধাৰ ঋণবোৰ কেনেকৈ পৰি আছে। তদুপৰি নিজৰ ভৱিষ্যত বোলা কথা এটা নাই জানো ?

কমল : সেইবোৰ মই ভাবিব নোৱাৰো। তহঁতে যি ভাব ভাবি থাক।

কন্দৰ্প : তই নেভাবিলে কেনেকৈ হ'ব ? দুবেলা দুমুঠি ভাত যে খাই আছ ! সেইবোৰ কেনেকৈ আহিছে, চিন্তা নকৰ কেলেই ? আৰু মই অকলে— দৰমহা পাওঁ কিমান ? ঘৰভাড়া দিব লাগে— চহৰত থাকিব লাগে !

(mood change)

চৰকাৰী চাকৰি নেপাৱ নাই নেলাগে। কিন্তু স্বাৱলম্বী হ'বৰ বাবে যি কণ প্ৰচেষ্টা থাকিব লাগে সেয়া পাহৰি গ'লে কেনেকৈ হ'ব ?

(mood change)

বি, ডি, অ' জন ভাল বুলি শুনিছো। তদুপৰি বেংকৰ মেনেজাৰ জনো বেচ ভদ্ৰ। পাৰিলে বেংকৰ পৰা কিছু টকা ঋণ লৈ ব্যৱসায়ত লাগি যা—

কন্দৰ্প : কত ল'ৰা-ছোৱালীয়ে তেনেকৈ চলি আছে।

কমল : (নিৰ্ভীক কণ্ঠ) বহুতে কৰিব পাৰে। কিন্তু বহুতৰে সৈতে মোৰ চিন্তা-ধাৰাৰ অমিল হ'ব পাৰে। সেইবোৰ মোক শুনাই কোনো লাভ নাই দাদা। মই ব্যৱসায়-চেৰনায় কৰিব নোৱাৰো।

কন্দৰ্প : তেনেহ'লে ? নাটক কৰি টকা উপাৰ্জন কৰি দু-পইচা ঘৰখনত নিদিয় কেলেই ? দিন নাই ৰাতি নাই ঘূৰি ফুৰিবি। খাবলৈ হ'লে ঘৰখনলৈ দৌৰ মাৰিবি। এইবোৰ মই পচন্দ নকৰো।

কমল : জানো। অকল তুমিয়েই নহয় ; বহুজনে এইবোৰ পচন্দ নকৰে ! কিন্তু কিয় ? এয়া জানো মোৰ শ্ৰম নহয় ? এইবোৰৰ জানো মূল্য নাই ?

কন্দৰ্প : কিন্তু তই পাহৰি গৈছ, টকা অবিহনে সমাজত খোজ মিলোৱাতো অসম্ভৱ। টকা। টকাৰ বাবে আজিৰ মানুহ জীয়াই আছে, কৰ্ম কৰিছে। কিন্তু তই ? তই কৰিছ কি ?

কমল : জানো ! মই টকা উপাৰ্জন কৰিব পৰা নাই। কিন্তু ! অকল টকাৰ বাবে মই মোৰ পথত খোজ পেলোৱা নাই।

(এবোজা বাঁহৰ খৰি লৈ দেউতাকৰ প্ৰৱেশ)

দেউতাক : কি হ'ল অ'। কিনো কথাৰ কটা-কটিখন কৰি আছ তহঁতে।

(হুৰমুৰকৈ চাইকেলখন লৈ কমলৰ বাহিৰলৈ প্ৰস্থান)

মাজনী, অ' মা : চাওঁ এঘটি পানী লৈ আহচোন। কন্দর্প; কমল আকৌ গ'ল ক'লৈ ? (ভন্টিৰ প্ৰস্থান)

কন্দৰ্প : ক'লৈ যাব আৰু। ক্লাবলৈ, নাটক কৰিবলৈ। এনেদৰে এজন অকৰ্মন্য ল'ৰাক পোহপাল দি তইঁতে কি ভাল পাইছ, মই বুজা নাই। এই বয়সত—এনেদৰে ·· (পানী এগিলাচ লৈ ভন্টিৰ প্ৰৱেশ)

ভন্টি : দেউতা। এয়া পানী।

দেউতাক : অ' দে মা। (কট্‌কটকৈ পানী-খিনি পি খাব) অ' মা অ, এই খৰি বোজা লৈ যা। (তাই ঘটি আৰু খৰিৰ বোজাটো ভিতৰলৈ লৈ যায়)

কন্দৰ্প : দেউতা! কমল থাকোতে, এনেদৰে তই খৰি লুৰিবলৈ যাব লাগিছে কেলেই ? নিজৰ শৰীৰটোলৈকে চাব লাগে।

দেউতাক : একো নহয় অ' (ভন্টিৰ প্ৰৱেশ)

কন্দৰ্প : ক'লেই হ'বনে ? মাহেকৰ মূৰত ফাৰ্মাচীত কিমান বিল উঠে সেয়া মইহে জানো।

ভণ্টি : ডাঙৰ দা। তই যে কি বোৰ ক'ৰ ? তোকনো কোনে ডাঙৰ-দীঘল কৰিলে ? আৰু সকদাক যে তেনেকৈ কৈ থাক তাব জানো দুখ নেলাগে ?

কন্দৰ্প : হৈছে হৈছে। যত চব তহঁত। তাক আসৈ দি দি মূৰটো খাইছ। সো˛ নাটক লিখে—

দেউতাক : হ'ব হ'ব। দোষ তহঁতৰ নহয় অ'। দোষ মোৰেই। তহঁতক জনম দিলো সঁচা, (হুমুনিয়াহ) কি কৰিম! দেহত শকতি থকালৈকে থেলাখন চলালো, লোকৰ ঘৰত হাজিৰা কৰিলো, এতিয়া আৰু দেহটোও পৰি আহিল। তইঁত হাল মতা মানুহ ! পিছে বিপদ হ'ল মাজনীক লৈহে ? মই জীয়াই থাকোতে তাইৰ কিবা এটা গতি লগাই যাব পৰা হ'লে ·····।

ভণ্টি : হৈছে দেউতা (অভিমান) কিবোৰ যে কৰ।

দেউতাক : নহয় অ' মা তোক কলেজত পঢ়ুৱা-বলৈকেও বৰ মন আছিল। পিছে! কি কৰিম! মই অক্ষম! (Mood change) বাৰু, য'ক সেইবোৰ বেলিও দুপৰ হয়হি। অ' মোনাখন লৈ আহ˛ (ভণ্টিলৈ চায়) বজাৰলৈকে যাওঁ। কন্‌টলৰ চাউল দিব বুলিছে।

ভণ্টি : একো এটা নোখোৱাকৈ ? তই নগলেও হ'ব। ডাঙৰ দা, চাউল অকণ তইয়ে লৈ আহ। মাছ-পুঠি পালে ভাল হয়। চাবিচোন।

কন্দৰ্প : যা। মোনাখন লৈ আহ˛ (ভন্টিৰ প্ৰস্থান)

দেউতাক : পিছে তই হ'বলা কাইলৈকে যাবিগৈ ?

কন্দৰ্প : অ' বাতিপুৱাতে যামগৈ। অফিচ পাবগৈ লাগিব।

দেউতাক : কথা এষাৰ কওঁ বুলি ভাবিছিলো। থাওকদে˛। পিছে পৰেও, ক'ব পাৰিম ! (ভিতৰলৈ যাব খুজি আকৌ বৈ যায়) অ' হেৰিআ' কন্দৰ্প। আহোতে কলিতাৰ ফাৰ্মাচীৰ পৰা বুকুৰ বিষৰ টেবলেট কেইটা-মান লৈ আহিবি। মাজে মাজে বুকুখন বৰকৈ বিষায় অ' ·· ·।

কন্দৰ্প : সেইয়া। ডাক্তৰৰ পৰামৰ্শমতে ঔষধ নেখাৱনে কোনেই ?

দেউতাক : এস হ'ব হ'ব। ডাক্তৰৰ ওচৰলৈ গ'লে কি হ'ব ? তাহানিৰ কষ্টবোৰ এতিয়া মাজে মাজে উক দিয়ে···বয়সে টুটি আহিছে। সেইবোৰ তহঁতে চিন্তা নকৰিবি। আগতে তহঁতৰ দেহবোৰৰ ভালদৰে যতন ল'। (হাতত মোনা আৰু বেচন কাৰ্ডখন লৈ ভন্টিৰ প্ৰৱেশ)।

ভন্টি : তেঁা ল ডাঙৰ দা, পলম নকৰিবি কিন্তু।
(সি যাবলৈ খোজতেই ৰসেশ্বৰৰ প্ৰৱেশ)

ৰসেশ্বৰ : অ' কন্দৰ্প দেখোন ! কেতিয়া আহিলি ?

কন্দৰ্প : কালি ৰাতি দ'হ মান বজাত পালোহি।

ৰসেশ্বৰ : ভালে আছ নহয় বোপাই ?

কন্দৰ্প : আছো আৰু। পিছে আপোনালোকৰ ভাল নে ?

ৰসেশ্বৰ : তেৱাই ৰাখিছে আৰু ··সে, সে, সে,।

ভন্টি : (মূঢ়াটোলৈ আঙুলিয়াই) খুৰাদেউ বহক।

দেউতাক : ব'হা ৰসেশ্বৰ।

ৰসেশ্বৰ : হ'ব। হ'ব। (বহে) অ' পিছে বোপা। চহৰত চাকৰি কৰিছ। ভালদৰে চাই-চিতি চলিবি। দিন কাল বৰ বেয়া হ'ল অ'—

ৰসেশ্বৰ : এই পিনে বোলে কটা-কটি—সেই পিনে বোলে মৰা-মৰি···কৃষ্ণ কৃষ্ণ। অ' কেইদিন মান থাকিবি নহয়।

কন্দৰ্প : নাই। কাইলৈ ৰাতি পুৱাই যাম গৈ।

ৰসেশ্বৰ : অ'! কাইলৈকে যাবি নে ?

কন্দৰ্প : কি কৰিব খুৰাদেউ। ছুটী-টুটি নাইয়েই নহয়

ৰসেশ্বৰ : এৰা। পিছে আবেলিলৈকে আমাৰ পিনেও এপাক মাৰিবি—

কন্দৰ্প : হ'ব খুৰাদেউ। ভাল থাক, বহক। অকণমান দোকানৰ পৰ আহোঁ। (প্ৰস্থান)

ৰসেশ্বৰ : যা যাক ··।

দেউতাক : মা অ'···যা চোন। তামোল চালিকে লৈ আহ। চাহ পানী এটোপাও···।

ৰসেশ্বৰ : হ'ব হ'ব আই, নেলাগে ··।
(ভন্টিৰ প্ৰস্থান)

দেউতাক : পিছে ৰসেশ্বৰ। সেই পিনে কিবা খবৰ খাটি পালানে ?

ৰসেশ্বৰ : নোপোৱা নহয় কাইটি, পালো।

ৰসেশ্বৰ : দ'ৰা পক্ষৰ ছোৱালী পচন্দ হৈছে। পিছে আপোনালোকৰ মতেই মত। আপোনালোকৰ সুবিধা মতেই সিহঁতেও আগবাঢ়িব পাৰে।

দেউতাক : এৰাহে ৰসেশ্বৰ। পিছে (ভাৱত তন্ময় হৈ)

ৰসেশ্বৰ : কাইটি !

দেউতাক : অ' টকা ! বিয়া এখন পাতিবলৈকে অতবোৰ টকা গোটাওঁ কেনেকৈ ?

ৰসেশ্বৰ : হওঁতে নোহোৱা নহয়। টকাতো লাগিবই।

দেউতাক : জমাৰ ঘৰত ফুটা কৰি এটাও নাই। মাকৰ চিকিৎসাতে যি কণ গহনা-পাতি আছিল, সেয়াও বিক্ৰি কৰিলো। হওক তেওঁ ! মানুহজনীক যদি বচাব পাৰিলো হেঁতেন !

বসেশ্বৰ : এ'ৰা কাইটি। কি কৰিব। সকলো অদৃষ্টৰে লিখন।

(এনেতে গৰুৰ হেম্বলনি, লগতে বাঁহৰ পুৰণি বেৰ ভঙাৰ শব্দ)।

দেউতাক : অ' সেয়া দেখিছানে? (মূঢ়াৰ পৰা উঠি ভিতৰলৈ গৈ গৈ)

অস্ স্ স্ স্ ··· ··· খালে ···খালে হেই ··· হেই··· ··· হে'ৰ গৰু ছাগলী পোহ-পাল দিবলৈ নোৱাৰই যদি বাখিছনো কেলেই? যা্ যা্ — ···।

(প্ৰৱেশ)

বসেশ্বৰ ; নোৱাৰো আৰু বুজিছা। বাৰীৰ পিছপিনৰ বেৰখন তেনেই ভাঙি গ'ল। মোখনি মাৰি দিছিলো পিছে ··· ···।

(বহে)

বসেশ্বৰ : এবা কাইটি! মানুহবোৰৰ চিন্তা শকতি লোপ পালে।

দেউতাক : (Mood change)

অ' কিবা কোলেনে ··· ··· অ' এবাৰ কথা ভাবিছো বসেশ্বৰ।

বসেশ্বৰ : কাইটি।

দেউতাক : পিছে ভালেই হয়নে ভুলেই হয় ক'ব নোৱাৰো —

বসেশ্বৰ : কওঁকচোন কাইটি ···

দেউতাক : হওঁতে একনীয়ে ছোৱালী। ইহঁতহালে বাৰু কিবা এটা কৰি খাব। ডাঙৰ-দীঘল হৈছে। বাৰীৰ পিছপিনৰ মাটি অকণমান!

বসেশ্বৰ : তাৰ মানে কাইটি!

দেউতাক : এবাহে ···, নহ'লে দেখোন ··· ···।

বসেশ্বৰ : পিছে এবাৰ কথা কাইটি। কন্দৰ্প আৰু কমলেৰে সৈতে আলোচনা কৰাটো ভাল হ'ব।

দেউতাক : সেয়াইটো। সিহঁতহালে বা আকৌ কি কয়। কমলক দেখিছই নহয় নাটক— নাটক—নাটক— ঘৰখনলৈ অকণো মন-কাণ নিদিয়ে।

বসেশ্বৰ : এবা, ল'ৰাটো বৰ অইন ধৰণৰ।

দেউতাক : আৰু; কন্দৰ্পৰ কথাটোলৈকে চোৱা-চোন। চাকৰি কৰা দুবছৰ পুৰ নৌ-হওঁতেই এইবোৰ কথানো কওঁ কেনেকৈ?

(চাহ দুকাপ লৈ ভন্টিৰ প্ৰৱেশ)

ভন্টি : খুৰাদেউ, চাহ খাওক।

(দেউতাকৰ হাততো একাপ দিয়ে। তাই পিছপিনে থিয় হৈ ৰয়। কিছুসময় নীৰৱতা)

দেউতাক : সেইকণ বিক্ৰি কৰিলে টকা দুহেজাৰ মান পোৱা যাব।

বসেশ্বৰ : হওঁতে কথাষাৰ নোহোৱা নহয়, পিছে বৰ্ত্তমান যুগত মাটি বিক্ৰি কৰাটো···।

ভন্টি : দেউতা! মাটি বিক্ৰি! কাৰ?

দেউতাক : অ' তই হ'বলা বৈয়ে আছ এইবোৰ ঘৰুৱা কথা অ' মা—তই শুনিব নেলাগে যা।

ভন্টি : ইস্। এনেনো কি কথা থাকিব পাৰে? মই যে শুনিব নোৱাৰো।

বসেশ্বৰ : নহয় অ' মা। তোৰ বিয়াৰ কথাটো উলিয়াইছো।

ভন্টি : অ' বুজিছো। মোৰ বিয়াৰ বাবে মাটি বিক্ৰি কৰিবলৈ ওলাইছা। সেয়া মই কেতিয়াও হ'ব দিব নোৱাৰো। প্ৰয়োজন হ'লে ময়েই বিয়াত নবহো।

দেউতাক : হেৰ'। এইবোৰ কথা তই চিন্তা কৰিব নেলাগে। আমি আছো নহয়।

ভন্টি : চা চোন, দেউতা। মাটি বুলিবলৈনো কিমান আছে? এবিঘা মাথো মাটি। তাৰেই যদি আধা বিক্রি ক'ৰ ভৱিষ্যতলৈ?

দেউতাক : এইয়া! মই আলচ হে কৰিছো। নহ'লে জানো উপায় আছে?

ভন্টি : কিয়?

বিয়া!

নহওঁ; নেলাগে।

তাৰ বাবে?

ৰমেশ্বৰ : ব' চোন মা। তই অবুজন নহবি। পিতৃ হিচাপে সন্তানৰ ভৱিষ্যত চিন্তা কৰাটো প্রয়োজন।

ভন্টি : চাওক খুৰাদেউ। মই জীয়াই থাকোতে এনে কাম কেতিয়াও হ'ব নোৱাৰে। ভাগ্যত যদি নাই; নহঁও—বিয়াত নব'হো। দাদাহঁতৰ ভৱিষ্যতৰ বাবে এই কণ মাটি প্রয়োজন হ'ব! সিহঁতৰ মঙ্গল কামনা কৰাটোও দেউতাৰ কর্তব্য।

দেউতাক : হেৰ'। ৰ' চোন। সিহঁত ল'ৰা মানুহ। ছোৱালীৰ বয়স বৈ নেথাকে নহয়।

ভন্টি : ছোৱালী হ'লো বাবেই—এনেদৰে বিয়াত সন্মতি দিব নোৱাৰো। (Mood change) কপালত যি আছে সেয়াই হ'ব। প্রয়োজন হ'লে গোটেই জীৱন; এইখন ঘৰতেই এনেদৰে কটাই দিম—তথাপিও ধাৰ ঋণ কৰি, মাটি বিক্রি কৰি—নাই দেউতা (মাত থোকা-থুকি হয়) এয়া কেতিয়াও হ'ব নোৱাৰে।

দেউতাক : এৰা অ' মা। গোটেই জীৱন ঠেলাৰ চকা ঘূৰাওঁতেই গ'ল। সঞ্চয়ৰ কথা তেতিয়া ভবা নাছিলো। বৰ ভুল কৰিলো মা। কিন্তু! তোৰ বিয়াখন পাতি দিব নোৱাৰিলে; মই যে শান্তি নেপাম। এইবাৰ কথা ভাবিবই নোৱাৰো। মৃত মাৰাৰ অস্থাই মোক চিৰদিনৰ বাবে অভিশাপ দিব মা।

(তিনিও তলমূৰ হয়)

ৰমেশ্বৰ : এৰা ল'ৰাজনো বেয়া নহয়। শিক্ষকতা কৰে। আওপাকে কথাষাৰ কৈছে—যৌতুকৰ হেনো কোনো প্রয়োজন নাই। তথাপিও কইনাৰ লগত দিবলগীয়া কাপোৰ, গহনা, যিকণ পাৰো, দিলে ভাল হয়—

ভন্টি : চাওক খুৰাদেউ। মোৰ বিয়াৰ কথা, আজিলৈকে মই কেতিয়াও ভবা নাই। জানো! (স্বগতোক্তি) এইবোৰৰ সৈতে সম্বন্ধ আছে টকা পইচাৰ। কিন্তু—আমাৰ জানো সেয়া আছে? মাথো দু-বেলা দুমুঠি খাবলৈ পোৱা নোপোৱাৰ মাজতে জী আছো, তেনেস্থলত—

দেউতাক : হেৰ'। তই সেইবোৰ কি বুজিবি। (ভুগনিয়াহ) যাচোন। ভিতৰলৈ যা। সেইবোৰ আমি চিন্তা কৰিম।

(এনেতে আবেগৰ বশবর্তী হৈ উশৃঙ্খল ভাৱে কন্দর্প সোমাই আহে। হাতত এখন বাতৰি কাকত। বজাৰৰ মোনা।)

কন্দর্প : ভন্টি! ভন্টি; খুৰাদেউ! দেউতা! বৰ আচৰিত!

আটায়ে : কি হ'ল।

কন্দর্প : এয়া চাচোন!

ভন্টি : ( তাৰ ওচৰলৈ আহি ) কি ডাঙৰ দা !

কন্দৰ্প : এই ক'চোন। আমাৰ কমলে নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতালৈ নাটক পঠিয়াইছিলেনে ?

ভন্টি : ( বাতৰি কাকতখনত চকু ফুৰাই ) অ' এয়া দেখো আমাৰ সৰুদাৰ ফটো ! চাওঁ ডাঙৰ দা ( বাতৰি কাকতখন কাঢ়ি লৈ পঢ়ে ) "গুৱাহাটীৰ অন্যতম শিল্পী গোষ্ঠী" ৰঙ্গৰূপে সদৌ অসম ভিত্তিত আয়োজিত কৰা একাংক নাটৰ পাণ্ডুলিপি প্ৰতিযোগিতাত বকোৰ শ্ৰীকমল কুমাৰ চৌধুৰীয়ে প্ৰথম স্থান অধিকাৰ কৰি ৭,০০০ হেজাৰ টকা পুৰস্কাৰ লাভ কৰে। এওঁ শ্ৰীদানীৰাম চৌধুৰীৰ ২য় সন্তান।

দেউতা ! সৰুদাই পুৰস্কাৰ পাইছে ! নগদ সাত হেজাৰ টকা !

দেউতাক : কি ক'লি ? হেৰ পঢ়োতে ভুল কৰা নাইতো ? পঢ়চোন পঢ় আকৌ এবাৰ পঢ়...

ভন্টি : ( আকৌ পঢ়ে )

বসেশ্বৰ : ভগৱানে মঙ্গল কৰক। দীৰ্ঘায়ু হ' বোপা।

কন্দৰ্প : আচৰিত ! কমলে !

ভন্টি : ডাঙৰ দা দেখিছ ? তইহে সৰুদাক গালি-শপনি দিয় ? মই জানো নহয়। সৰুদাৰ কষ্ট অথলে নেযায়। ডাঙৰ দা ! সৰুদাই খবৰটো পাইছে নে নাই ?

কন্দৰ্প : নেজানো। এই দোকান খনতেই বাতৰি খন পালো।

দেউতাক : হেঃ হেঃ ঃ। আমি মিছাতেই তাক খং কৰি আছিলো। আচলতে এয়াও এটা কৰ্মহে।

ভন্টি : সৰুদাৰ যে ইম্‌মান ভাল লাগিব। মই আজিয়েই মন্দিৰত এগছি চাকি দি আহিমগৈ। আৰু কণ-কণ মইনাইতক মাতি আনি মিঠাই খুৱাব লাগিব। সিহঁত বোবহে তাৰ আপোন।

কন্দৰ্প : এৰা অ। মই বৰ ভুল কৰি আছিলো অ। ইমান দিনে তাক আমি আৱিষ্কাৰ কৰিব পৰা নাছিলো। কথাবোৰ ভাবি নিজেই বৰ লাজ পাইছো।

ভন্টি : খুৱাদেউ। আজি কিন্তু ভাত খাইহে যাব পাৰিব। ডাঙৰ দা' মাছ-তাছ পাইছ ?

কন্দৰ্প : অ' ! মই পাহৰিয়েই গৈছিলো। কেইটা মান কাৰৈ মাছ আনিছো।

ভন্টি : উঃ সৰুদাই যে টেঙা আঞ্জা খাবলৈ ইমান ভাল পায় ! ( খৰখেদাকৈ মোনাখন লৈ প্ৰস্থান। যাওঁতে বাতৰিখন এনেই এবাৰ চকু ফুৰাই গৈ থাকিব )।

দেউতাক : অ' ! বসেশ্বৰ।

বসেশ্বৰ : এৰা কাইটি ! বৰ সু-খবৰ পালো। আমি বোবেহে তাৰ মোল বুজা নাছিলো।

দেউতাক : পিছে, সাত হেজাৰকৈ টকা !

কন্দৰ্প : এৰা ! দেউতা ! কথাবাৰ ভাৱিবলৈকে টান পাইছো।

দেউতাক : তাৰ মতি-গতি দেখিলেই লেখিব পাৰি। অ' বসেশ্বৰ। এহেজাৰ টকা বাৰু তাৰ পকেট খৰচৰ বাবে ব'ল দিয়া। বাকী টকাৰে...মাজনীৰ বিয়াখনৰ বন্দোবস্ত কৰিব পাৰো। তুমি কি কোৱা ?

বসেশ্বৰ : এৰা।

কন্দৰ্প : বিয়া ! ভন্টিৰ বিয়া ?

দেউতাক : সেই বাবেইতো তোক খবৰখেদাকৈ মাতি আনিছো। ছয়গাঁৱৰ ওচৰবে। বৰ ভাল ল'বা। শিক্ষকতা কৰে।

ৰসেশ্বৰ : ভগৱানে যি কৰে মঙ্গলেই কৰে।

কন্দৰ্প : পিছে ব'চোন। কমলে আকৌ মান্তি হয় নে নহয়!

দেউতাক : হেৰৌ? তই কি বুজিবি! ইহঁত হালৰ মৰম চেনেহ দেখিলে মই ভাবিবলৈকে টান পাওঁ মই যে সিহঁতৰ দেউতাক। কমল নহালৈকে তাই নুশুৱেই ···। কেতিয়াবা সি নাহিলে বাতি তাই নোখোৱাকৈয়ে পৰি থাকে। কাজিয়াখন পিছে নকৰাকৈয়ে নেথাকে, পিছে সেয়া মৰমৰহে! হেঃ হেঃ হেঃ ৰসেশ্বৰ।

ৰসেশ্বৰ : কাইটি।

দেউতাক : হওঁতে কাইলৈ ভকতসকলক মাতি শৰাই এখন আগবঢ়াওঁ বুলি ভাবিছো।

ৰসেশ্বৰ : এৰা কাইটি। হক কথাকেই কৈছে।

(ভন্টিৰ প্ৰৱেশ)

ভন্টি : ডাঙৰদা। সৰুদাক খবৰটো দেগৈ যা।

কন্দৰ্প : ৰ'চোন। মইনো বিচাৰি যাওঁ কলৈ?

ভন্টি : জান ডাঙৰ দা! পাণ্ডুলিপিটো পঢ়োতেই মই কিবা এটা ভাবিছিলো সৰুদাৰ যে ইমান ভাল লাগিব? (কাপ দুটা সামৰি) এইবাৰ ৰচোন! ভালকৈ এজোৰ পোছাক সি লবই লাগিব। কি যে? সেই একেযোৰ পোচাক পিন্ধিবলৈ কিনো ভাল পায়!

দেউতাক : মাজনী! ভাত পানীৰ দিহা কৰগৈ যা। দুখে ভাগৰে পাবহি।

ভন্টি : বাৰু ডাঙৰ দা। পুৰস্কাৰটো কেতিয়া দিব?

কন্দৰ্প : দিব আৰু। এই কেইদিনতে···।

ভন্টি : তই চাকৰি কৰি টকা উপাৰ্জন কৰিছ। পিছে দেখিছ সৰুদাই নিজৰ নামটোৰ লগতে দেউতাৰ নামটোও প্ৰচাৰ কৰিলে। সকলোৱে পঢ়িব।

কন্দৰ্প : ঐ! কইনাজনী সাজিবলৈকে সাজু হ বুইছ।

ভন্টি : যা। তহঁতৰ বোজা হৈ আছো নহয়। উলিয়াই দিলেহে ৰক্ষা পৰিবি।

দেউতাক : অ' হে'ৰ— কথাৰ কটা·কটিখন নকৰিবি চোন (এনেতে গাড়ী এখন বৈ যোৱাৰ শব্দ। মঞ্চৰ আটায়ে উৎকণ্ঠাৰে সেই পিনে চাব। এনেতে যন্ত্ৰ সংগীতৰ দ্বাৰা প্ৰতিজন অভিনেতাৰ মনৰ ভাববোৰ প্ৰকাশ কৰিব। কাউৰীৰ কা কা মাত)।

কন্দৰ্প : এয়া!

ভন্টি : ডাঙৰ দা······

কন্দৰ্প : ইমানবোৰ মানুহ! সেয়া! বগা কাপোৰ ঢাকি······

ভন্টি : মোৰ ভয় লাগিছে ডাঙৰ দা·· ···

(আকৌ কাউৰীৰ কা কা মাত)

কন্দৰ্প : ৰ'চোন·····(প্ৰস্থান)

দেউতাক : এয়া কি দেখুৱাইছা প্ৰভু!

ভন্টি : দে-উ-তা! (দেউতাকৰ বাহুত ধৰে)

ৰসেশ্বৰ : কৃষ্ণ·· ··· কৃষ্ণ···

( music, দৰ্শকৰ মনত শংকাৰ সৃষ্টি কৰিব।)

ভন্টি : দেউতা!!

দেউতাক : ব'চোন ··· ( এনেতে দুজন ল'ৰাই মৰা শ'ৰটো কাপোৰেৰে ঢাকি দাঙি আনি চোতালত থব। মৌন হৈ কন্দৰ্পৰ প্ৰৱেশ। দেউতাক, ভণ্টি আৰু বসেশ্বৰৰ নিৰ্বাক দৃষ্টি। সিহঁত দুটাও তন্ময় হৈ ৰ'ব। ভণ্টিয়ে ডাঙৰ দাদাকৰ গাটো জোকাৰি দিব। সি একো নেমাতে। তাৰ পিচত শ'ৰটোৰ পিনে চাব। এনেতে দেউতাকে কঁপা কঁপা হাতেৰে শ'ৰটোৰ কাপোৰখন আঁতৰাই দি বোবাৰ দৰে থিয় হ'ব। তাৰ পিচত শ'ৰ কঢ়িয়াই অনা ল'ৰা দুজনৰ পিনে চাব।)

১ম জন ল'ৰা : এৰা বাষ্টাটো পাৰ হব খোজোতেই এখন বেগী ট্ৰাকে আঘাত কৰে।

২য় জন ল'ৰা : হাস্পাটাল গৈ নেপালেই। ( দেউতাকে শ'ৰটোৰ ভৰিৰপিনে ধৰি মুখলৈ চাই কয়।)

দেউতাক : নাই নাই কমল তই···

( ভণ্টিয়ে কমলৰ মুখনি সাৱটি ধৰি কান্দি কান্দি কয় )

ভণ্টি : সকদা ! ! ! ( হুকুহুকাই কান্দে ) ভায়োলিনৰ করুণ সুৰ বাজে ).

দেউতাক : কমল ! ! ! ( হুকুহুকাই কান্দে )

কন্দৰ্প : ( ভগা ভগা মাতেৰে ) কমল তই ! ( কান্দে ).

বসেশ্বৰ : বাচা ( চকুলো মচে )

( ভায়োলিনৰ করুণ সুৰ তীব্ৰ হয় )

ভণ্টি : নাই— নাই—নাই সকদা। তই ক'লৈ গুটি গ'লি ! ! ! ! সকদা ! ! ! মোক কোনে মৰম কৰিব সকদা ! ! !

( Humming Both Male & Female )

কন্দৰ্প, দেউতাক, বসেশ্বৰ, দুয়োজন ল'ৰা আৰু লগতে ভণ্টি আদি সকলোটি Freeze Position ত বৈ যাব। Humming শেষ।

: যৱনিকা :

# বেণুধৰ শৰ্মাৰ ব্যক্তিত্ব আৰু সাহিত্যিক অৱদান

**মিচ্ জবা ঠাকুৰীয়া**
স্নাতক, ২য় বাৰ্ষিক।

অসমৰ যি কেইগৰাকী বৰেণ্য ব্যক্তিয়ে নিজৰ অসাধাৰণ ব্যক্তিত্ব আৰু সৃজনীশীল লিখনিৰে এক চেতনা আৰু চিন্তাৰ ঢৌৰ সঞ্চাৰ কৰি অসমীয়া জাতীয় জীৱনত গভীৰ ৰেখাপাত কৰিবলৈ সমৰ্থ হৈছে– সেইসকলৰ ভিতৰত প্ৰয়াত বেণুধৰ শৰ্মা নিশ্চয় অন্যতম হ'ব। তেখেত আছিল একেধাৰে সু-সাহিত্যিক, সমাজ সংস্কাৰক, বুৰঞ্জীবিদ প্ৰত্ন-তাত্বিক, সাংবাদিক, শিশু-সাহিত্যিক আৰু আগ-শাৰীৰ মুক্তি যুঁজাৰু। ইমানবোৰ গুণেৰে বিভূষিত এই গৰাকী মহান ব্যক্তিৰ জন্ম হৈছিল ১৮৯৪ চনত চাৰিঙত। তেখেতৰ পিতৃদেৱৰ নাম ডিম্বেশ্বৰ শৰ্মা আৰু মাতৃৰ নাম তুলসী দেৱী আছিল। সৰুৰে পৰা পঢ়া-শুনাত অতি চোকা বেণুধৰ শৰ্মাদেৱে প্ৰাইমাৰী পৰীক্ষাত বৃত্তি লাভ কৰি শিৱসাগৰ চৰকাৰী হাইস্কুলত পঢ়িব লৈছিল। ছাত্ৰাৱস্থাতে ভগৱতী প্ৰসাদ বৰুৱাৰ লগত যুটীয়াকৈ "জেউতি" নামৰ আলোচনী এখন প্ৰকাশ (১৯১২-১৫) কৰিছিল আৰু তাতেই তেখেতে প্ৰথম লিখা-মেলা আৰম্ভ কৰিছিল। প্ৰৱেশিকা পাছ কৰিয়ে তেখেতে শিক্ষকতাৰ চাকৰি কৰিছিল যদিও অলপ দিনৰ পাছতে উচ্চ শিক্ষাৰ্থে কলি-কতালৈ গৈছিল। কিন্তু ১৯২০ চনত মহাত্মা গান্ধীৰ উদ্দীপ্ত ভাষণত উতলা হৈ তেখেতে বি, এ, পৰীক্ষা নিদিয়াকৈ ঘূৰি আহিল আৰু সিমানতে তেখেতৰ শিক্ষা জীৱনৰো পৰিসমাপ্তি ঘটিল। এগৰাকী অক্লান্ত মুক্তি যোদ্ধা হিচাপে তেখেত দেশৰ জাতীয় আন্দোলনত জপিয়াই পৰিল। এই আন্দোলনত যোগদান কৰি তেখেতে বহুবাৰ কাৰাবৰণ কৰিব লগীয়া হৈছিল। পিছত তেখেতে ৰাজনীতি এৰি সাহিত্য জগতত সোমাই পৰিল। ৰাজনীতি ত্যাগ কৰি শৰ্মাদেৱৰ লাভ-লোচকান যিয়েই নহওক লাগে—অসমীয়া সাহিত্যৰ ভঁৰাল কিন্তু চহকী হ'ল।

তেখেতৰ সাহিত্যিক জীৱনৰ প্ৰথম স্বাক্ষৰ আছিল শিশু উপযোগী গ্ৰন্থ "ৰবিনচন ক্ৰুছ" (১৯১৮)। ইয়াৰ পিছত তেখেতে ৰচনা কৰা গ্ৰন্থসমূহ হ'ল "ৰাংপতা", জীৱনী গ্ৰন্থ-'জৱাহৰ-লালৰ জীৱনী' 'গঙ্গা গোবিন্দ ফুকন', ঐতিহাসিক

প্ৰবন্ধ সংগ্ৰহ 'দূৰবীণ', 'সাতাৱন ছাল', 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' আৰু 'অৰ্ঘ্যাৱলী'। ইয়াৰ বাহিৰেও বিভিন্ন আলোচনী আদিৰ পাতত তেখেতৰ লিখা বহুতো তথ্য গধুৰ প্ৰবন্ধ সিঁচৰতি হৈ আছে। তেখেতৰ প্ৰবন্ধসমূহ ঐতিহাসিক তথ্যানুসন্ধিৎসা আৰু ভাৱাদৰ্শৰ সমন্বয় বুলিব পাৰি।

বেনুধৰ শৰ্মাদেৱৰ লিখনিসমূহ পঢ়ি বিভিন্ন-জনে বিভিন্ন মন্তব্য কৰিছিল—য'ত প্ৰকাশ পাইছিল তেখেতৰ বিশাল ব্যক্তিত্বৰ আভাস। শৰ্মাদেৱৰ বিষয়ে আলোচনা কৰোঁতে এবাৰ এখন কাকতৰ সম্পাদকে কৈছিল, 'বেণুধৰ শৰ্মা নিজেই এখন ছাত্ৰ আন্দোলনৰ বুৰঞ্জী।' জ্যাপল চাৰ্টেই কৈছে, 'যিবোৰ লিখক বিতৰ্কমূলক নহয়, তেওঁলোক মৰা লিখক। তেওঁলোকৰ লিখনিত জীৱনৰ গোন্ধ নাই। কিন্তু যাৰ বিষয়-বস্তু সম-সাময়িক জীৱন, তেওঁ সৰ্ব্বজন সম্মত কথা লিখাটো সম্ভৱপৰ নহয়। বিতৰ্কৰ মাজেদি এইসকল লিখকে গৌৰৱৰ খটখটীত উঠিব লাগে।' বেণুধৰ শৰ্মা তেনে এজন লিখক। তেখেতৰ লিখনিৰ লগত তেখেতৰ জীৱনৰ কথা অবিচ্ছিন্নভাৱে জড়িত।

শৰ্মাদেৱৰ ৰসাল ভাষাত আবেগ অনুভূতি আৰু যুক্তিৰ এটি সুন্দৰ সমাবেশ হৈছে। তেখেতৰ প্ৰকাশভঙ্গী লোকপ্ৰিয়। ই আমাক পুৰণি বুৰঞ্জী লিখকসকলৰ কথাও সোঁৱৰাই দিয়ে। তেখেতৰ ভাষা পৰ্বতীয়া নিজৰাৰ দৰে চঞ্চল অথচ আবেগ-ময়ী। সময়ত আকৌ সি লুইতৰ তল সুঁতিৰ দৰে দ' আৰু গভীৰ হৈ পৰে। ন-ভাৱ পুৰণি ঠাঁচত সুন্দৰকৈ গঢ়ি তেখেতে আমাক মুগ্ধ কৰি তোলে। প্ৰথম দৃষ্টিত চালে যদিও তেখেতৰ ৰচনাশৈলীৰ ভিতৰলৈ সোমাবলৈ মন নেযায় কিন্তু এবাৰ প্ৰৱেশ কৰিব পাৰিলে ভাষা আৰু শৈলীৰ নিজস্ব সোৱাদে পাঠকক নতুন আনন্দ দান কৰে।

যাইকৈ বুৰঞ্জী লিখক বুলি জনাজাত শৰ্মাদেৱ আছিল প্ৰায় পাঁচ দশকীয়া অভিজ্ঞ লিখক। পণ্ডিত হেমচন্দ্ৰ গোস্বামী, কে, এল, বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা কমলাকান্ত ভট্টাচাৰ্য্য, গোবিন্দ বেজবৰুৱা এইসকল আছিল তেখেতৰ মনৰ মানুহ। গোস্বামী আৰু বৰুৱাৰ পুৰাতত্ব চৰ্চা, বেজবৰুৱাৰ বেপৰুৱা আশাবাদ আৰু ৰীতি নিষ্ঠা, ভট্টাচাৰ্য্যৰ স্বাধীন চিন্তাৰ ঐতিহ্য আৰু গোবিন্দ বেজবৰুৱাৰ ব্যক্তিত্ব এইবোৰ তেখেতৰ মনৰ সাঁচনি পেৰাৰ ধন। বেণুধৰ শৰ্মাদেৱে তেখেতৰ 'অৰ্ঘ্যাৱলী' গ্ৰন্থত এইসকল লোকৰ জীৱন দৰ্শনৰ বিষয়ে অতি সুন্দৰ আৰু সাৱলীল ভাষাত বৰ্ণনা কৰিছে।

অতীত প্ৰীতিয়েই শৰ্মাদেৱৰ বুৰঞ্জী লিখাৰ মাই উৎস। এতিয়াও পোহৰলৈ নহা আমাৰ অতীত ইতিহাসৰ বিষয়-বস্তুবোৰ তথা ঘটনাৰাজিৰ সূক্ষ্ম বিচাৰ বিশ্লেষণ কৰি এজন কীৰ্তিমান খনি-কৰৰ দৰে এটা এটাকৈ গাঁথি সাহিত্য আকাৰে সাহিত্যামোদীসকললৈ আগবঢ়াই শৰ্মাদেৱে অসমীয়া সাহিত্য জগতত এখন স্বকীয়া আসন প্ৰতিষ্ঠা কৰিছে। তেখেতৰ ওচৰলৈ গ'লে বুৰঞ্জী লিখক বেণুধৰ শৰ্মা আৰু তেখেতৰ পাৰ্থক্য ধৰিব নোৱাৰি। কোনো লিখকৰ ৰচনা কৰা গ্ৰন্থৰ ভিতৰত লুকাই থকা সাহিত্যিকৰ দৰে শৰ্মাদেৱ নিজেই তেখেতৰ ৰচিত গ্ৰন্থৰাজিৰ ভিতৰত থাকি পাঠক বৰ্গক হাঁহি হহুৱাইছে আৰু অতীত কীৰ্তিকলাপ, অতীতৰ গৌৰৱময় বীৰত্বপূৰ্ণ কাহিনী কৈ জাতিৰ জীৱনত

ন-দৃষ্টি দান কৰি জাতিৰ ধমনীত ন-তেজৰ সঞ্চাৰ কৰিছে। তেখেতে জানে অতীতৰ ঘটনাৱলীয়ে এক মহান আদৰ্শৰ ইঙ্গিত দি আছে আৰু তেনে মহৎ আদৰ্শত অনুপ্ৰাণিত হৈ আজিৰ সুপ্ত অসমীয়া জাতিয়ে উন্নতিৰ জখলা বগাই যাব পাৰে। তেখেতৰ "মণিৰাম দেৱান" কিতাপখন অসমীয়া বুৰঞ্জীমূলক সাহিত্যৰ আপুৰুগীয়া সম্পদ। সাহিত্যিক ৰূপত ইয়াক বুৰঞ্জীমূলক জীৱনী বুলি ধৰিব পাৰি। জাতীয় জীৱনত এনেকুৱা সাহিত্যই যথেষ্ট পৰিমাণে প্ৰভাৱ পেলায়। বিষয়-বস্তুৰ ফালৰ পৰা কিতাপখনৰ মূল্য সৰাতোকৈ বেছি। লিখকে গোটোৱা সঁজুলিবোৰ—বিশেষকৈ মণিৰাম দেৱানৰ এতলা দৰ্খাস্ত আৰু বিপ্লৱৰ কালত দিয়া চিঠি কেইখন অসমৰ সমসাময়িক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনৰ ফটফটীয়া চিত্ৰ। পুৰণি আৰু নতুন সমাজৰ বিষয়ে মণিৰামৰ জ্ঞান গভীৰ আছিল। সেই কাৰণে তেওঁ সেই সময়ৰ সামাজিক আৱশ্যকতা বিপ্লৱৰ কথা ভালদৰে ধৰিব পাৰিছিল। তেওঁ পুৰণি সমাজক ন-কৈ সজাব খুজিছিল। এনেকুৱা উপলব্ধি কৰিব পৰা হেতুকে মণিৰাম দেৱান এগৰাকী মহৎ ব্যক্তি হ'ব পাৰিছিল। মনীষী কাৰ্লাইলৰ ভাষাৰে তেওঁক সেই সময়ৰ বুৰঞ্জীৰ বাট দেখুৱাওতা বুলিব পাৰি। শৰ্মা ডাঙৰীয়াৰ ৰসাল ভাষাত আবেগ অনুভূতি আৰু যুক্তিৰ এটি সুন্দৰ সমাবেশ হৈছে।

"কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত" ১৯২১-২৯ চনৰ অসহযোগ আন্দোলনত অসমৰ ৰাজনীতি আৰু সমাজ জীৱনত উজান-ভাটি লগোৱা এটা যুগাৱৰ্তনৰ কাহিনী। সংখ্যা বিজ্ঞানৰ ভাষাত কবলৈ গ'লে 'কাঁচিয়লি ৰ'দত' ১৯২১ চনৰ স্বাধীনতা আন্দোলনৰ 'চেম্পল চাৰ্ভে'। জাতীয় পুৰস্কাৰ লাভ কৰা এই কিতাপখনৰ ৰচনা ৰীতি সম্বন্ধে শৰ্মাই এনেদৰে লিখিছে—'ই কাব্য নহয় উঁই হাফলুটোক পৰ্বত কৰি বৰ্ণনা দিবলৈ; কবিতা নহয়, স্বৰ্গৰাজ্যৰ ৰূপহি সাজিবলৈ নাইবা মৰ্ত্ত-ভূমিৰ মকৰাজাল গুঠিবলৈ; নাট নহয় থৌকিবাথৌ চৰিত্ৰ আঁকিবলৈ: উপন্যাস নহয় জীৱনৰ বিচিত্ৰতা দেখুৱাবলৈ: চুটি গল্প নহয় কৌশল কিটিপ লগাই থোৱতে ঘটনা বা কল্পনাৰ সাৰ তুলিবলৈ: সাধু নহয় পানীৰ ঔ-টেঙা সাজি চালুকীয়াৰ মন তুলিবলৈ; বুৰঞ্জী নহয় সময়ৰ ক্ৰম ভুৰুকু লিপিবদ্ধ কৰিবলৈ; জীৱন দৰ্শন নহয় আঁকোৰ গোজালি ভাবে ধৰি থকা মতবাদৰ পৰিচয় দিবলৈ; অইন কি ৰচনাও নহয় আঁত লগাই বিষয়টো ফুটাই তুলিবলৈ। ই কোনেও নজনা-নুশুনা ধনাই মনাই একোজনৰ অন্তৰত আগন্তুক পৰিবৰ্তনে কেনেকৈ খুন্দিয়া-খুন্দি কৰিছিল আৰু সি কেনেকৈ তেখেতৰ হৃদয় ৰাজ্যত চাব মাৰিছিল তাৰে এটা জান নেজান চিন মাত্ৰ।" তেখেতৰ এই আঙ্গিক বিচাৰ তাৎপৰ্য্যমূলক। প্ৰাচ্য মহাদেশৰ যিসকল লিখকে আত্ম প্ৰকাশৰ বেদনা অনুভৱ কৰি পশ্চিমীয়া সাহিত্যৰ ধৰা বন্ধা ৰূপ-ৰীতি ত্যাগ পূৰ্বক নতুন আঙ্গিকৰ সন্ধান কৰিছে— এই সকলৰ মনোবেদনাও শৰ্মাৰ এই স্বীকাৰোক্তিৰ অনুৰূপ। 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত'খন বেণুধৰ শৰ্মাৰ সাহিত্যিক জীৱনৰ মোহনা আৰু অসমীয়া সাহিত্যৰ একলব্য সাধনাৰ অৱবাহিকা।

'সাতাৰন ছাল'ত কেনেকৈ ভাৰতৰ বিভিন্ন অংশৰ লগতে অসমতো চিপাহী বিদ্ৰোহৰ জুই কুৰা জ্বলি উঠিছিল তাৰ ইতিহাস পাঠকৰ আগত

দাঙি ধৰিছে। তেখেতৰ 'দূৰবীণ' ঐতিহাসিক তথ্যসম্বলিত এখন বহুমূলীয়া গ্ৰন্থ। 'দক্ষিণ পাট সত্ৰৰ বুৰঞ্জী' এখন ঐতিহ্যপূৰ্ণ সত্ৰৰ ইতিহাসেই নহয়; ইয়াত অসমৰ সাংস্কৃতিক ইতিহাসৰো সমল যথেষ্ট পোৱা যায়। তেখেতৰ 'অৰ্ঘ্যাৱলী' আন এখনি অতি মনোৰম পুথি। ঊনবিংশ শতিকাৰ শেষ ভাগৰ পৰা বিংশ শতিকাৰ আগভাগলৈকে যিসকল স্বনামধন্য পুৰুষে নিজৰ প্ৰতিভা আৰু কৰ্মময় জীৱনৰ অৱিহণাৰে অসমীয়া ভাষা সাহিত্য আৰু জাতিৰ সেৱা কৰি গ'ল, সেইসকলৰ ব্যক্তিগত সান্নিধ্যৰ পৰা লাভ কৰা অভিজ্ঞতাৰ ভেটিত কেইটিমান জীৱনৰ আলেখ্য আগবঢ়াইছে। 'অৰ্ঘ্যাৱলী'ত থকা আলেখ্যসমূহ পূৰ্ণ জীৱনী নহয়। একোজন স্বনামধন্য পুৰুষৰ জীৱনত একো একোটা সময়ৰ একোটা ঘটনা বা বৰ্ণনা সন্নিবিষ্ট কৰিছে আৰু চৰিত্ৰৰ এটি বিশেষ দিশলৈ আলোকপাত কৰা হৈছে।

আধুনিক অসমীয়া সাহিত্যত বেণুধৰ শৰ্মাদেৱে নিজস্ব বিশিষ্ট ৰচনা শৈলীৰে এখনি শ্ৰেষ্ঠ আসন অধিকাৰ কৰিছে। তেখেতৰ গদ্যশৈলী আধুনিক অসমীয়া গদ্য সাহিত্যিকৰ এটি আপুৰুগীয়া সম্পদ। যেকলে, গিবন আদিৰ ৰচনা ঐতিহাসিক তথ্যপূৰ্ণ হৈও সাহিত্যৰ পৰ্য্যায়লৈ উঠিছিল। শৰ্মাদেৱৰ বিশিষ্ট ৰচনাভঙ্গী আৰু ওজ গুণবিশিষ্ট গদ্যৰ যোগেদি লিপিবদ্ধ কৰা ঐতিহাসিক বিৱৰণেও সাহিত্যৰ মৰ্য্যাদা লাভ কৰিছে। বুৰঞ্জীৰ শুকান হাড়-ছালত মৃত সঞ্জীৱনী ছটিয়াই সজীৱ আৰু স্পন্দনপূৰ্ণ কৰিব পৰা শক্তি তেখেতৰ গদ্য ভঙ্গীৰ বৈশিষ্ট্য। তেখেতৰ ৰচনা ভঙ্গীত অসমীয়াৰ জাতিগত চিন্তা প্ৰণালী, ৰুচি আৰু অনুভূতি প্ৰৱাহে নিজস্ব গতিত আপোনা আপুনি নিঃসৃত হৈ পাঠকক যেন অভিভূত কৰি তোলে। হাড়চন নামৰ ইংৰাজ সমালোচক এজনে "ষ্টাইলৰ" আলোচনা প্ৰসঙ্গত কৈছে যে, "সৰহভাগ লেখাৰে ওপৰত সম-সাময়িক যুগৰ ভাষাৰ প্ৰভাৱ দেখা যায়। কিন্তু প্ৰতিভা সম্পন্ন লেখক সম-সাময়িক ভাষাৰ দাস নহয় বৰঞ্চ ভাষাইহে তেওঁলোকৰ হাতৰ নিজস্ব ইচ্ছানুসৰি ৰূপ লয়।" এই কথা শৰ্মা ডাঙৰীয়াৰ ক্ষেত্ৰতো খাটে। শৰ্মাই তেখেতৰ উদ্দেশ্য পূৰণৰ কাৰণে শব্দ চয়নত কিয়, শব্দ বিন্যাস, বাক্য পদ্ধতি, ভঙ্গিমা আদিতো অসমীয়া সাহিত্যৰ পুৰণি জগতখনলৈ সময়ত উভতি গৈছে। সঁচা কথা কবলৈ গ'লে অন্তৰ্হিত হৈ যাব খোজা অসমীয়া বাক্য প্ৰণালীৰ নিজস্ব পদ লালিত্য, প্ৰকৃত জতুৱা ঠাঁচ কেৱল শৰ্মাদেৱৰ গদ্যতহে বজন-জনাই আছে। তেখেতৰ ভাষাত পুৰণি অসম বুৰঞ্জীৰ ভালেমান বাছকবনীয়া বৈশিষ্ট্যপূৰ্ণ শব্দই নিমজ চকচকীয়া স্থান লাভ কৰিছে।

বেণুধৰ শৰ্মাদেৱৰ গদ্যত অসমীয়া প্ৰবাদ বাক্যৰ প্ৰচুৰ প্ৰয়োগ দেখা যায়। এই বিলাকৰ প্ৰয়োগত তেখেতৰ ভাষা শক্তিশালী, গভীৰ আৰু তাৎপৰ্য্যপূৰ্ণ হৈ উঠে। কেতিয়াবা অধিক লিখাৰ পৰা বিৰত থাকি ইয়াৰ একোটা চুম্বক প্ৰয়োগ কৰিয়েই সাৰুৱা মন্তব্য দাঙি ধৰে।, যেনে—

"বিদেশীৰ কৃপাত আশ্ৰয় লৈয়েই আমি উশাহ লৈছোঁহক। আমি জানো কেতিয়াবা ভাবিছোঁ,
পৰে কি আপোন হোৱে নাৰায়ণ,
শিমলু নহয় চন্দন।" ( মণিৰাম দেৱান )

ইয়াৰ উপৰিও তেখেতৰ গদ্যত মধ্যযুগৰ বুৰঞ্জীৰ উদ্ধৃতিও অসংখ্য দেখা যায়। সেইবিলাক যদিও

একোটা স্বকীয়া বিশেষ যুগৰ, তথাপি উক্তি-বিলাকে উৰ্দ্ধকমাৰ বন্ধনাত সোমাই তেখেতৰ গদ্যত অজীৰ্ণ হৈ নাথাকে। বৰঞ্চ জীৰ্ণ গৈ ন-পুৰণি একেটি সুঁতিতে অহা-যোৱা কৰে। তেখেতৰ গদ্য শৈলী সম্পৰ্কে হোমেন বৰগোহাঞে কৈছিল, "বেণুধৰ শৰ্মাক মই অতিশয় ভাল পাওঁ। কাৰণ তেখেতৰ অনুপম গদ্য ৰচনাই মোৰ মনত জগাই তোলে এক করুণ নষ্টালজিয়া-বোধ এটা হেৰোৱা যুগ আৰু বিস্মৃত প্ৰায় জীৱনধাৰাৰ প্ৰতি ৰোমা-ন্টিক দীৰ্ঘশ্বাস। তেখেতৰ ৰচনাৰ evocative শক্তিৰ কোনো তুলনা নাই। মোৰ মতে বেণুধৰ শৰ্মাৰ গদ্য শৈলীয়েই হ'ল নিভাঁজ অসমীয়া গদ্যৰীতিৰ সৰ্বশ্ৰেষ্ঠ নিদৰ্শন।" নীৰস ঐতিহাসিক তথ্য আৰু শুকান হাড়-ছাল ঘটনা পঞ্জীক ওজস্বী, চেতনা উদ্দীপক আৰু ৰসোত্তীৰ্ণ গদ্যৰ মাধ্যমত উচ্চ পৰ্য্যায়ৰ সাহিত্যৰ শাৰীলৈ উন্নীত কৰিব পৰা এই গৰাকী গদ্য লিখকক নিসন্দেহে "Master of Prose" বা 'গদ্যৰ গৰাকী বা ওজা' আখ্যা দিব পাৰি।

বুৰঞ্জীবিদ আৰু সাহিত্যিক বেণুধৰ শৰ্মা এগৰাকী সত্যনিষ্ঠ সংবাদসেৱীও আছিল। তেখেতৰ হাতত সাংবাদিকতা নাথাকিলেও ধাতুত সাংবা-দিকতাৰ তেজ আছিল। সেই কাৰণে তেখেতে তন্ন চকুৱাৰ দৰে সংবাদসেৱীৰ প্ৰবৃত্তিৰে সৰু-সুৰা ঘটনাবোৰকো খুচৰি খুচৰি চাই ভাল পাইছিল। এনেদৰেই তেখেতে ভাষা সাহিত্য আৰু বুৰঞ্জীৰ পুৰণি জঞ্জালৰ পৰা বহুতো সংবাদ উদ্ধাৰ কৰি-বলৈ সক্ষম হৈছিল।

অসমৰ ইতিহাসৰ গভীৰ সাগৰ মন্থন কৰি ৰাইজৰ আগত লৱনু, ঘিউ নিলাই কৰা বেণু-ধৰ শৰ্মাদেৱক কৃতজ্ঞতা জনাবলৈ ৰাইজৰ কাপ মৈলামৰ সাধ্য নাই। কিন্তু ৰাইজৰ কলিজাৰ পৰা নিজৰি ওলোৱা অকুৰন্ত মৰম-চেনেহ তেখেতে লাভ কৰিছিল আৰু এয়ে আছিল তেখেতৰ সাহিত্যিক সামাজিক জীৱনৰ চৰম সাৰ্থকতা। উচ্চ শিক্ষা আৰু উপাধিৰে বিভূষিত হৈ ডাঃ সূৰ্য্যকুমাৰ ভূঞাদেৱে অসমীয়া ৰাইজৰ পৰা বুৰঞ্জীবিদৰূপে যিমান স্বীকৃতি পাইছে মূৰত মুকুট, ভৰিত নেপুৰ নিপিন্ধাকৈয়ে বেণুধৰ শৰ্মাদেৱে সিমান স্বীকৃতি আৰু সমাদৰ পাইছে। জনতাৰ ইমান আপোন হ'ব পৰাৰ মূলতে আছিল তেখেতৰ গভীৰ মানৱপ্ৰীতি আৰু স্বদেশপ্ৰীতি। 'বুৰঞ্জীৰ বৰ দেউতা' বুলি আখ্যা দিব পৰা বেণুধৰ শৰ্মাদেৱৰ ব্যক্তিত্বত অসমীয়াৰ সাতাম পুৰুষীয়া বংশৰ গৌৰৱ, পিন্ধন উৰণ আৰু চাল-চলনৰ স্পষ্ট চাব ফুটি উঠিছিল। তেখেতৰ ৰচনাৱলীত মানুহৰ কথা আৰু কামৰ বিশ্লেষণী প্ৰতিফলন দেখা যায়। তেখেতৰ 'মণিৰাম দেৱানৰ' জীৱন চৰিত্ৰ জীয়া মানুহৰ জীয়া কাহিনী।

দোষীকো যুক্তিৰ তুলাচনীত তথাকথিত নিৰ্দো-ষীৰ সমান স্থান দিব পৰা (দেশদ্ৰোহী কোন বদন নে পূৰ্ণানন্দ) এইজনা দূৰবীণ বিশাৰদো